**2 0 2 6**

ANANDARAM DHEKIAL PHOOKAN COLLEGE LIBRARY
Acc No. ________
Date________
Nagaon Assam

# ASSAMESE

( Major )

Paper : ASS0600404

( সাহিত্য আৰু সাহিত্য সমালোচনা )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। তলৰ প্ৰশ্নসমূহৰ অতি চমু উত্তৰ দিয়া : ১×৮=৮

(ক) 'নন্দনতত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য'—এই গ্ৰন্থখনৰ লেখক কোন?

(খ) সমালোচক আনন্দবৰ্ধনৰ মতে কবিতাৰ আত্মা কি?

(গ) কোনগৰাকী সমালোচকে কবিতাক জীৱনবীক্ষা বুলি অভিহিত কৰিছে?

(ঘ) 'অৱস্থানুকৃতি নাট্যম' এই উক্তি কাৰ?

(ঙ) বীভৎস ৰসৰ স্থায়ী ভাব কি?

(চ) পদ ছন্দৰ প্ৰতিটো চৰণ বা শাৰীত কিমানটাকৈ অক্ষৰ থাকে ?

(ছ) ‘ৱেইটিং ফৰ গডো’ নাটকখনৰ লেখক কোন ?

(জ) বাৰ্টল্ড ব্ৰেখটে ৰচনা কৰা এখন নাটকৰ নাম লিখা ।

২ । চমু উত্তৰ লিখা (যি কোনো ছয়টা) : ২×৬=১২

(ক) দৃশ্যকাব্য কাক বোলে ? সংস্কৃতত ইয়াৰ আন এটা নাম কি ?

(খ) চুটিগল্পক চুটিকৈ ৰখাৰ ক্ষেত্ৰত নিৰ্মাণশৈলীত ক্ৰিয়া কৰা শিল্পাদৰ্শ দুটা কি কি ?

(গ) যি কোনো এখন অসমীয়া জীৱনীভিত্তিক উপন্যাসৰ নাম লিখি সেই উপন্যাসখন কোনগৰাকী ব্যক্তিৰ জীৱনকাহিনীৰ আধাৰত ৰচিত হৈছে তাক উল্লেখ কৰা ।

(ঘ) বিভাৱ কি ? ই কেইপ্ৰকাৰৰ আৰু কি কি ?

(ঙ) কাব্যত অলংকাৰৰ দুটা প্ৰয়োজনীয়তা উল্লেখ কৰা ।

(চ) ৰূপক অলংকাৰ কাক বোলে ? এটি উদাহৰণ দিয়া ।

(ছ) এৰিষ্টট’লে কমেডিৰ সংজ্ঞা কিদৰে দিছে ?



DHEKIAL PHOOKAN COLLEGE LIBRARY
Acc. No.
Date
Nagaon Assam



(জ) প্ৰতীকবাদী কাব্য-আন্দোলন পোনতে ক’ত আৰু কেতিয়া আৰম্ভ হৈছিল ?

(ঝ) ‘এবচাৰ্ড’ শব্দটো নাটকৰ ক্ষেত্ৰত পোনতে কোনে ব্যৱহাৰ কৰিছিল ? তেওঁ এবচাৰ্ড নাটক সম্পৰ্কে লিখা বিখ্যাত গ্ৰন্থখনৰ নাম কি ?

(ঞ) এৰিষ্টট’লে কোন দুখন মহাকাব্যক শ্ৰেষ্ঠ এপিক আখ্যা দিছে ?

৩ । উত্তৰ লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) ভাৰতীয় আলংকাৰিকৰ মতে মহাকাব্যৰ লক্ষণ কেনেধৰণৰ, বৰ্ণনা কৰা ।

(খ) ‘চনেট’ সম্পৰ্কে এটি চমু টোকা যুগুত কৰা ।

(গ) নাটকৰ ত্ৰি ঐক্য কি, বুজাই লিখা ।

(ঘ) কেথাৰচিছ বুলিলে কি বুজা, বৰ্ণনা কৰা ।

(ঙ) কুসুমমালা ছন্দ কাক বোলে ? উদাহৰণসহ বুজাই লিখা ।

(চ) কবিতাত কল্পনাৰ গুৰুত্ব সম্পৰ্কে বহলাই লিখা ।

(ছ) ব্ৰেখটৰ নাট্যৰীতিত থকা ‘এলিয়েনেচন’ (Alienation) বা ‘বিচ্ছিন্নতা প্ৰভাৱ’ কি ? আলোচনা কৰা ।

(জ) অসমীয়া ভাষাত ৰচিত মনস্তাত্ত্বিক কথা-সাহিত্যৰ ওপৰত এটি টোকা প্ৰস্তুত কৰা ।

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো দুটা) : ১০×২=২০

(ক) সাহিত্য আৰু সাহিত্য-সমালোচনাৰ মাজত থকা আন্তঃসম্পৰ্কৰ বিষয়ে আলোচনা কৰা।

(খ) "সংস্কৃত আলংকাৰিকসকলে শব্দৰ তিনিটা অৰ্থবোধক শক্তি স্বীকাৰ কৰিছে।" এই শক্তিসমূহৰ বিষয়ে বহলাই আলোচনা কৰা।

(গ) চুটিগল্প আৰু উপন্যাসৰ মাজত থকা মিল-অমিল সম্পৰ্কে বিশদ আলোচনা আগবঢ়োৱা।

(ঘ) অসমীয়া প্ৰতীকবাদী কবিতা সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

(ঙ) এব্‌চাৰ্ড নাটক কি? ইয়াৰ বিশেষত্বসমূহ বহলাই লিখা।

ANANDARAM DHEKIAL PHOOKAN COLLEGE LIBRARY
Acc. No.
Date
Nagaon · Assam

★★★